ৰাজ্যিক কাৰ্য্যালয়

**ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ**

*“অটল বিহাৰী বাজপেয়ী ভৱন”*

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

## প্ৰেছ বিজ্ঞপ্তি

# ভাৰতীয় জনতা পাৰ্টিৰ সদস্যভৰ্তি অভিযান তীব্ৰ গতিত অব্যাহত
# এতিয়ালৈকে ২০ খন জিলা ভ্ৰমণ কৰিলে সভাপতি ভট্টাচাৰ্য্যই

গুৱাহাটী, ২২ ডিচেম্বৰ ২০১৪ ঃ ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশে ৰাজ্যখনত পাঁছিশ লাখ সদস্য ভৰ্তি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি চলিত বৰ্ষৰ আঠ নৱেম্বৰত গুৱাহাটীৰ কাৰ্বি সংঘৰ খেল পথাৰত আৰম্ভ কৰা সদস্যভৰ্তি অভিযানক এক তৰিৎ গতি প্ৰদান কৰি দলৰ ৰাজ্যিক সমিতিয়ে যোৱা একৈশ ডিচেম্বৰ তাৰিখৰ পৰা জিলাই জিলাই ৰাজ্যিক বিষয়ববীয়া, কেন্দ্ৰীয় প্ৰভাৰী, সাংসদ-বিধায়ক, সকলো পৰ্য্যায়ৰ নেতা-কৰ্মীয়ে প্ৰৱাস আৰম্ভ কৰিছে। ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ ৰাজ্যিক সংখ্যালঘূ মৰ্চা আৰু দলৰ গোৱালপাৰা জিলা সংখ্যালঘূ মৰ্চা যৌথ উদ্যোগত সেইদিনা গোৱালপাৰাত আয়োজন কৰা এক বিশাল জনসভাত অংশ গ্ৰহণ কৰি ৰাজ্যিক সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্যই এতিয়ালৈকে ২০ খন জিলা ভ্ৰমণ কৰি সদস্যভৰ্তি অভিযানত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰিছে। সভাপতি ভট্টাচাৰ্য্যই অহা কাইলৈ অৰ্থাৎ ২৩ তাৰিখে বঙাইগাওঁ, ২৪ তাৰিখে কোকৰাঝাৰ, চিৰাংকে ধৰি নামনি অসমৰ কেইবাখনো জিলা ভ্ৰমণ কৰিব। এই সময়চোৱাত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ কেন্দ্ৰীয় প্ৰভাৰী ডঃ মহেন্দ্ৰ সিঙ, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সাংগঠনিক সাধাৰণ সম্পাদক ফনীন্দ্ৰ নাথ শৰ্মা, ৰাজ্যিক সাধাৰণ সম্পাদক বিজয় কুমাৰ গুপ্তাকে ধৰি আটাইকেইজন সাধাৰণ সম্পাদকে অংশ গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে ৰাজ্যিক সাধাৰণ সম্পাদক ভবেশ কলিতাই। এই সদস্য ভৰ্তি অভিযানৰ মাজতে অহা ২৫ ডিচেম্বৰ বৃহস্পতিবাৰে সমগ্ৰ দেশৰ লগতে ৰাজ্যখন বিভিন্ন স্থানত বুথ পৰ্য্যায়ৰ পৰা ৰাজ্যিক পৰ্য্যায়লৈকে প্ৰাক্তন প্ৰধানমন্ত্ৰী, বিশ্ববৰেণ্যনেতা শ্ৰদ্ধাৰ শ্ৰীঅটল বিহাৰী বাজপেয়ীদেৱৰ ৯১ সংখ্যক জন্মদিন সু-শাসন দিৱস হিচাপে উদযাপিত কৰিব বুলি জানিবলৈ দিছে সাধাৰণ সম্পাদক শ্ৰী কলিতাই।

স্বাক্ষৰ/- জিতু তালুকদাৰ
যুটীয়া আহ্বায়ক
মিডিয়া কোষ, ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ